**অসম বিধান সভা**

**তৰা চিহ্নীত প্ৰশ্ন নং : ১০৪**

**উত্তৰ দিবলগীয়া তাৰিখ : ১৩/০৭/২০২৬**

বিষয় : **গড় আলি আৰু ধোদৰ আলি পথৰ সন্দৰ্ভত ।**

বিধায়ক : শ্ৰী ধীৰাজ গোৱালা :

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) চিনামৰাৰ পৰা তিতাবৰ চাৰিআলি হৈ পানীখাইতি লৈ যোৱা গড়আলি পথটো দুই লেনযুক্ত (2 Lane) কৰি নিৰ্মাণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) তিতাবৰ চহৰৰ ধোদৰ আলিৰ মূল পথটো অসম মালা (২)ৰ অধীনত নিৰ্মাণ হ'লে তিতাবৰ চহৰৰ ভয়াৱহ যানজঁটৰ সমস্যাৰ সমাধান হ'ব । গতিকে কাকডোঙাৰ পৰা দেবেৰাপাৰা চাৰিআালিলৈ যোৱা পথছোৱা অসম মালা (১)ৰ অধীনত নিৰ্মাণ কৰিব পৰা হ'ব নেকি ?

**::উত্তৰ::**

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহদয়ে উত্তৰ দিব :**

(ক) চিনামৰাৰ পৰা তিতাবৰ চাৰিআলি হৈ পানীখাইতি লৈ যোৱা গড়আলি পথটো দুই লেনযুক্ত (2 Lane) পথ হিচাবে নিৰ্মাণ কৰাৰ বাবে বৰ্তমানলৈকে বিভাগে কোনো আচঁনি গ্ৰহন কৰা নাই ।

(খ) "ধোদৰ আলি"ৰ কাকডোঙাৰ পৰা দেবেৰাপাৰা চাৰিআালিলৈকে অশংটো "অসম মালা ২" আঁচনিৰ অধীনত অনুমোদন কৰি ইতিমধ্যে উন্নয়নৰ কাম কৰি থকা হৈছে। "অসম মালা-১" আধীনত নতুনকৈ কোনো কামৰ অনুমোদন দিয়া ইতিমধ্যে বন্ধ হৈছে ।

The reply uploaded in the portal

---000---